# অসমীয়া লোকজীৱনত কীৰ্তন-ঘোষাৰ প্ৰভাৱ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধীনত
পিএইচ.ডি. উপাধি প্ৰাপ্তিৰ বাবে প্ৰদত্ত গৱেষণা গ্ৰন্থ

বিশ্বদীপা দাস
অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়, নগাঁও
২০২০ বৰ্ষ

# ASAMIYÁ LOKAJIVANAT
# KIRTAN-GHOSHÁR PRABHÁV

Thesis submitted in partial fulfilment of the requirments for the
Degree of Doctor of Philosophy (Ph.D.)

**BISWADEEPA DAS**
**Reg No. MSSV-0017-005-00235**
**Department of Assamese**
**Mahapurusha Srimanta Sankaradeva**
**Viswavidyalaya, Nagaon**

# উপসংহাৰ

## ৬.০০ উপসংহাৰ ঃ

'অসমীয়া লোকজীৱনত কীৰ্তন-ঘোষাৰ প্ৰভাৱ' শিৰোনামৰ গৱেষণা গ্ৰন্থখনি পাঁচটা অধ্যায়ত বিভক্ত কৰি আলোচনা কৰা হ'ল। অৱতৰণিকা অংশত বিষয়ৰ গুৰুত্ব সম্পৰ্কে বহলাই আলোচনা কৰা হ'ল। ১৪৫৯-১৫৬৮ সময়ছোৱাৰ অসমীয়া জনজীৱনৰ জাতীয় নায়ক হ'ল শঙ্কৰদেৱ। ধৰ্ম-সাহিত্য-সংস্কৃতি সকলো দিশতে সংস্কাৰমূলক বিশিষ্ট কৰ্ম পন্থাৰ সৃষ্টি কৰি নৱ বৈষ্ণৱ ধৰ্মীয় আন্দোলনৰ সু-নেতৃত্ব দিবলৈ সক্ষম হৈছিল ধৰ্মনেতাগৰাকী। উল্লেখ যে, প্ৰাচীন বৈদিক হিন্দু ধৰ্ম-সংস্কৃতি বৰ্তি আছিল ব্যয়বহুল যাগযজ্ঞ আৰু জটিল (বহু পৰিমাণে নৃশংস) উপাসনাৰ ৰীতিৰ মাধ্যমত বিশেষকৈ সংস্কৃত শাস্ত্ৰৰ তত্ব উপলব্ধি কৰি ধৰ্ম চৰ্চা কৰাতো সাধাৰণজনৰ পক্ষে দুৰূহ কথা আছিল। ব্ৰাহ্মণ পুৰোহিত তথা শাসকীয় শ্ৰেণীয়ে অনাখৰী জনতাক এই দিশত প্ৰায় সম্পূৰ্ণৰূপে বহিস্কৃত কৰি থৈছিল। শাক্ত, শৈৱ, প্ৰভৃতি বিভিন্ন পন্থৰ স্বৰক্ত-মাংস প্ৰদানেৰে ভিন্ন দেৱ-দেৱীৰ ভয়াবহ উপাসনা ৰীতিয়ে জনগণক ভীতিগ্ৰস্ত কৰাৰ লগতে ধৰ্মীয় অৰাজকতাৰ সৃষ্টি কৰিছিল। এনে সন্ধিক্ষণতে শঙ্কৰদেৱৰ আগমন উল্লেখযোগ্য ঘটনা আছিল। জন সংগঠক ধৰ্মীয় নেতাগৰাকীয়ে সৰ্বভাৰতীয় স্তৰত তীৰ্থ ভ্ৰমণৰ জৰিয়তে সমাজৰ সাধাৰণজনৰ মানসিকতা অধ্যয়ন কৰিছিল। মানৱ সমাজৰ সূক্ষ্মতম প্ৰয়োজনসমূহ শৃংখলিত ৰূপত বিজ্ঞানসন্মতভাৱে পূৰণ কৰিবলৈ তেওঁ ধৰ্মক মাধ্যম হিচাপে ল'লে। এই উদ্দেশ্যেৰে তেওঁ সাহিত্য-সংস্কৃতি আৰু পৰিৱেশ্য কলাক অসমীয়া সমাজৰ শিৰাই-উপশিৰাই বোৱাই দিবলৈ সক্ষম হ'ল। এক ঈশ্বৰৰ ওচৰত ভক্তিময় আত্মসমৰ্পন শঙ্কৰী দৰ্শনৰ মূল তত্ব। সাম্যবাদী দৃষ্টিভংগীৰে শংকৰদেৱে অৰাজক ধৰ্মীয় সমাজখন শৃংখলিত কৰিছিল। তাৰবাবে অসমীয়া জাতিৰ মানসিকতা ভাষাকেন্দ্ৰিক জাতীয় জাগৰণৰ সূচনা কৰিলে। মধ্যযুগীয় সমাজখনত সংস্কৃত ভাষাৰ পৰিৱৰ্তে পুৰণি অসমীয়া কথিত ভাষাক সাহিত্যিক মৰ্যদা প্ৰদান কৰি সেই ভাষাতে ধৰ্ম চৰ্চাৰ বাতাৱৰণ গঢ়ি তুলিবলৈ শঙ্কৰদেৱে ফলপ্ৰসু আঁচনি কীৰ্তন-ঘোষা ৰচনাৰে সম্পূৰ্ণ কৰিলে।

নৱবৈষ্ণৱ ভক্তি ধৰ্মৰ অন্যতম শ্ৰেষ্ঠ পুথি কীৰ্তন-ঘোষা পুৰণি অসমীয়া ভাষাতেই ৰচনা কৰা হৈছিল। অনাখৰী লোকসমাজক একত্ৰিত কৰি উপাসনা গৃহত (পাছলৈ নামঘৰ ৰূপে নামাংকৃত) ঈশ্বৰ প্ৰাপ্তিৰ হেতু ধৰ্ম সাধনাৰ দীক্ষা প্ৰধানতঃ এই পুথিৰ দ্বাৰাই দিয়া হ'ল। নামঘৰত কীৰ্তন-ঘোষা পাঠৰ এক শৃংখলিত নিয়মৰ জৰিয়তে চহা জীৱনক ধৰ্ম সাধনাৰ ক্ষেত্ৰত সৰল মাৰ্গ প্ৰদান কৰা হ'ল। সহজবোধ্য পুৰণি অসমীয়া ভাষাত ৰচনা কৰা কীৰ্তন-ঘোষা লোক জীৱনৰ অতিকৈ ওচৰচপা। প্ৰকৃতাৰ্থত এই পুথিয়ে এক জনভিত্তি গঢ়ি তুলিবলৈ সক্ষম হৈছে। শঙ্কৰদেৱ মূলতঃ এগৰাকী সমাজ সংস্কাৰক ধৰ্ম নেতা।

সেইবাবেই পুথিখনিৰ মাজত অসমীয়া সমাজ জীৱনৰ ৰীতি-নীতি লোকাচাৰ, কথনশৈলী, পৰম্পৰা, সাজ-সজ্জা, খাদ্যাভাস ইত্যাদিৰ বিশাল প্ৰতিচ্ছবি ৰৈ গ'ল। দেখা গ'ল যে, ভাৰতীয় সংগীত ইতিহাসত শঙ্কৰদেৱৰ কীৰ্তন-ঘোষা পাঠৰ সুৰ-তাল-লয়ে এক অভুতপূৰ্ব সৰল ধৰ্ম সংগীতৰ স্থান নিৰ্ধাৰণ কৰিবলৈ সক্ষম হ'ল। কীৰ্তন অসমীয়া অনাখৰী সমাজৰ উপযোগীকৈ মধ্যযুগীয় পটভূমিতে শঙ্কৰদেৱে উদ্ভাৱন কৰা বিশিষ্ট গায়ন ৰীতি। ই হ'ল একপ্ৰকাৰ সমূহীয়া উপাসনাৰ ৰীতি, যাক নাম-প্ৰসঙ্গ বুলি সংজ্ঞাবদ্ধ কৰা হ'ল। ই শঙ্কৰী সংগীতৰ এক বিশিষ্ট বিভাগৰূপে স্বীকৃত হৈ পৰিল। কীৰ্তন-ঘোষাৰ পাঠ আৰু নাম প্ৰসঙ্গৰ বিশিষ্টতাই জন-মানসক আজি পৰ্যন্ত আচ্ছন্ন কৰি ৰাখিছে।

প্ৰথম অধ্যায়টিত শঙ্কৰদেৱৰ জীৱন, ব্যক্তিত্ব আৰু অৱদান সম্পৰ্কে আলোচনা কৰা হৈছে। মধ্যযুগৰ বিশৃংখল পৰিস্থিতিত অসমৰ জাতীয় জীৱনক ধৰ্ম আৰু সংস্কৃতিৰ যোগাত্মক সংযোগেৰে একত্ৰিত কৰিবলৈ সক্ষম হোৱা বিশিষ্ট জন-নায়ক গৰাকী হ'ল শ্ৰীমন্ত শঙ্কৰদেৱ। তথ্যসন্মত গুৰুচৰিত সমূহৰ পৰা তেওঁৰ জন্মসময় নিৰ্দ্ধাৰণ কৰা হয় ১৩৭১ শক (১৪৪৯ খ্ৰীঃ) আৰু মৃত্যু তিথি ১৪৯০ শক (১৫৬৮ খ্ৰীঃ)। এই বিশাল জীৱন কালত শঙ্কৰদেৱে অসমীয়া সমাজৰ ধৰ্ম, সংস্কৃতি আৰু সাহিত্যৰ ক্ষেত্ৰত অভিনৱ কৰ্ম-আঁচনি সন্নিৱিষ্ট কৰি অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠা কৰিলে। গীত, কাব্য, নৃত্য, বাদ্য, অভিনয়, চিত্ৰকলা- এই সমগ্ৰ সুকুমাৰ কলাক আধাৰ হিচাপে গ্ৰহণ কৰি ভক্তিধৰ্মৰ মাধ্যমেৰে অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠা কৰিলে শ্ৰীমন্ত শঙ্কৰদেৱে। গায়ন-বায়ন, নৃত্যকুশলী, সংগীত বিশাৰদ, চিত্ৰকৰ- বিশিষ্ট প্ৰতিভাৰ অধিকাৰী শঙ্কৰদেৱে লিখিত সাহিত্যৰ জৰিয়তে অসমীয়া ভাষাক পূৰ্ণাংগ মৰ্য্যাদা প্ৰদান কৰিলে। তেওঁৰ লিখিত সাহিত্য ৰাজিক কাব্য, ভক্তি তত্ত্ব প্ৰকাশক সংগ্ৰহ, অনুবাদমূলক সাহিত্য, নাট, গীত আৰু নামপ্ৰসঙ্গ মূলক কাব্য হিচাপে শ্ৰেণীকৰণ কৰিব পাৰি। উক্ত প্ৰতিবিধ সাহিত্যৰে চমু পৰিচয় এই অধ্যায়টিত দিয়া হৈছে। সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ প্ৰেক্ষাপটত অসমত শঙ্কৰদেৱৰ ভূমিকা বিশেষ মাত্ৰাৰ আছিল। সমগ্ৰ ভাৰতবৰ্ষতে মধ্যযুগীয় পটভূমিত ধৰ্মৰ নামত অযুক্তিকৰ তথা নৃশংস ধৰ্মীয় প্ৰথাৰ প্ৰচলন ঘটিছিল। স্বৰক্ত, মাংস প্ৰদানেৰে ব্যয়বহুল বহু-দেৱ-দেৱীৰ পূজনে সমাজলৈ ভয়াবহ অৰাজক পৰিস্থিতি আনিছিল। সমগ্ৰ ভাৰত বৰ্ষতে মূলতঃ উদাৰনৈতিক আৰু সমতাৰ দৃষ্টিভঙ্গীৰে বৈষ্ণৱ ভক্তি আন্দোলনৰ বিকাশ ঘটিছিল। অসমতো শংকৰদেৱে একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰ কৰি ভক্তিৰ মহত্ব ঘোষণা কৰিছিল। এই অধ্যায়টিত শঙ্কৰদেৱৰ জীৱনৰ চমু ৰূপৰেখা, শঙ্কৰদেৱৰ সাহিত্যকৰ্মৰ চমু পৰিচয়, ভাৰতীয় ভক্তি আন্দোলন আৰু শঙ্কৰদেৱ- এই বিষয়ে বহলাই আলোচনা কৰা হৈছে। মধ্যযুগত সৰ্বভাৰতীয় পটভূমিত

বৈষ্ণৱ ভক্তি জাগৰণ হৈছিল আৰু অসমত সেই জাগৰণৰ প্ৰভাৱ পৰিছিল। শঙ্কৰদেৱে কি দৰে সেই জাগৰণৰ আঁত ধৰিছিল সেই সম্পৰ্কে ইয়াত বিশদ আলোচনা কৰা হৈছে। একেটা অধ্যায়তে অসমীয়া লোকজীৱনৰ পটভূমি আৰু শঙ্কৰদেৱৰ অৱদান সম্পৰ্কে আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়টিত কীৰ্তন-ঘোষা পুথিখনিৰ সামগ্ৰিক পৰিচয় দাঙি ধৰা হৈছে। কীৰ্তন-ঘোষাৰ ৰচনাৰ উদ্দেশ্য, ৰচনাৰ সময়, সংকলন আৰু সম্পাদনাৰ কাৰণ, পুথিখনিত সন্নিৱিষ্ট খণ্ডসংখ্যা আৰু প্ৰতিটো খণ্ডৰ আখ্যান সমূহৰ বিষয়বস্তুৰ চমু পৰিচয় অধ্যায়টিত আগবঢ়োৱা হৈছে। সেইদৰে শঙ্কৰদেৱে ৰস, ছন্দ, অলংকাৰৰ প্ৰয়োগেৰে বিশিষ্ট কাব্য-সাহিত্যৰ গুণ প্ৰদান কৰাৰ প্ৰসঙ্গও চমুকৈ আলোচনা কৰা হৈছে। আলোচনা প্ৰসংগত এই কথা প্ৰতীয়মান হয় যে, অসমৰ সামাজিক জীৱন শৃংখলিত কৰাত, অসমীয়া মানুহৰ শৃংখলিত স্বাস্থ্যবিধি শিক্ষণত কীৰ্তন-ঘোষাৰ গভীৰ প্ৰভাৱ অপৰিসীম। এই কথাও স্পষ্ট যে- মধ্যযুগীয় লোকসমাজৰ অনাখৰী সহজ সৰল মানুহখিনিৰ বাবে শৈক্ষিক বাতাবৰণ সৃষ্টিৰ ক্ষেত্ৰত শঙ্কৰদেৱে সৃষ্টি কৰা ধৰ্মীয় অনুশাসন প্ৰধানকৈ কীৰ্তন-ঘোষাৰ প্ৰসঙ্গত অনুষ্ঠানৰ দ্বাৰাই নিৰ্দ্ধাৰিত হ'ল। নামঘৰত নিয়মিত কীৰ্তন-ঘোষাৰ চৰ্চাৰ দ্বাৰা শঙ্কৰদেৱে অসমীয়াৰ অন্তৰাত্মাত ঐক্য-সম্প্ৰীতিমূলক লোক-শিক্ষাৰ বীজ প্ৰতিষ্ঠা কৰিলে। কীৰ্তন-ঘোষাৰ পৰিবেশনত থকা নিৰ্দিষ্ট নিয়ম-নীতিসমূহে লোক-মনোৰঞ্জনৰ লগে লগে সামাজক শৃংখলাবদ্ধতাৰ শিক্ষা প্ৰদান কৰাত সফল কৰিলে। এই সকলো দিশৰ সামগ্ৰিক আলোচনা কৰি অধ্যায়টি নিৰূপণ কৰা বিষয়সমূহ হ'ল— কীৰ্তন-ঘোষাৰ ৰচনাৰ উদ্দেশ্য, কীৰ্তন-ঘোষাৰ ৰচনাৰ সময়, কীৰ্তন-ঘোষাৰ সংকলন আৰু সম্পাদনাৰ কাৰণ, কীৰ্তন-ঘোষাৰ খণ্ড সংখ্যা, কীৰ্তন-ঘোষাৰ বিষয়বস্তু, কীৰ্তন-ঘোষাত ৰসৰ প্ৰয়োগ, কীৰ্তন-ঘোষাত প্ৰয়োগ হোৱা ছন্দ, কীৰ্তন-ঘোষাত প্ৰয়োগ হোৱা অলংকাৰ, অসমৰ সামাজিক জীৱন শৃংখলিত কৰাত কীৰ্তন-ঘোষাৰ ভূমিকা, অসমীয়া মানুহৰ স্বাস্থ্যবিধি শিক্ষণত কীৰ্তন-ঘোষাৰ প্ৰভাৱ, অসমৰ দৈনন্দিন আৰু সামূহিক জীৱনত কীৰ্তন-ঘোষাৰ প্ৰভাৱ ইত্যাদি বিবিধ দিশ।

তৃতীয় অধ্যায়ৰ শিৰোনাম হ'ল কীৰ্তন-ঘোষাৰ ভাষা-শৈলীত অসমৰ লোকজীৱনৰ প্ৰতিফলন। এই অধ্যায়ৰ আলোচনাত দেখা গ'ল যে- কীৰ্তন-ঘোষাৰ ভাষাশৈলী অসমৰ থলুৱা জীৱনচৰ্যাৰ লগত জড়িত। পুথিখনত ব্যৱহৃত ঘোষা-পদত অসমীয়া থলুৱা জীৱনৰ বিবিধ কাৰ্যকলাপ, প্ৰাকৃতিক পৰিৱেশৰ প্ৰতিবিম্ব সূক্ষ্মৰূপত প্ৰকাশ পাইছে আৰু এই পুথিৰ ভাষা কথিত অসমীয়া ভাষাৰ লগত মিলা। থলুৱা বাণীভঙ্গী প্ৰয়োগৰ দ্বাৰা পুথিখনিয়ে সমাজত স্থায়িত্ব লাভ কৰিবলৈ সক্ষম হৈছে। সহজবোধ্য নব্য সৃষ্ট

শব্দ, খণ্ডবাক্য, জঁতুৰা ঠাঁচ, ফকৰা-যোজনাৰ ব্যৱহাৰ তথা মৌলিক বাণীভঙ্গীৰ বিশেষত্বৰে কীৰ্তন-ঘোষা পুথিখন সমৃদ্ধ হৈ আছে। কীৰ্তন-ঘোষাৰ বৰ্ণনাশৈলীৰ মাধুৰ্য উপলব্ধি কৰি সকলো শ্ৰেণীৰ লোকেই আপ্লুত হয়। ইয়াৰ মূলতে আছে পুথিখনৰ অন্তৰ্গত প্ৰতিটো খণ্ডৰ কাহিনীকথনৰ পটভূমি তথা ভাষাশৈলীৰ আকৰ্ষণ। অসমৰ থলুৱা পৰিবেশৰ প্ৰকৃতি জগতৰ চিত্ৰ, সাজসজ্জা, লোকাচাৰ, গালিশপনি সূচক মাত-কথা, গাৰ্হস্থ্য জীৱনৰ চিত্ৰ, নাৰীৰ মাত কথা- ইত্যাদি বিভিন্ন দিশ সম্বলিত অসমীয়া লোক জীৱনৰ প্ৰতিচ্ছবি কীৰ্তন-ঘোষাৰ ভাষা-শৈলীত ভিন্ন ধৰণে প্ৰকাশ পাইছে। সেইদৰে সাম্প্ৰতিক সময়তো 'কীৰ্তন-ঘোষা'ৰ আধাৰত বিভিন্ন পৰম্পৰাগত ভকতীয়া ফকৰা-যোজনাৰ প্ৰচলন হৈ আহিছে। গ্ৰামাঞ্চলৰ বয়োজ্যেষ্ঠ ভকতসকলে বিভিন্ন ব্যৱহাৰিক কামৰ মাজত কথাই কথাই কীৰ্তন-ঘোষাৰ পৰা উদ্ধৃতি দি কথাৰ দৃঢ়তা বঢ়ায়। কীৰ্তন-ঘোষাৰ বিভিন্ন খণ্ডসমূহত স্বয়ং শঙ্কৰদেৱে বিবিধ তত্ত্বমূলক ফকৰা-যোজনাত ব্যৱহাৰ কৰিছে। অধ্যায়টিত সেই সমূহ বাছি উলিওৱা হৈছে। তদুপৰি শঙ্কৰদেৱৰ পাছৰ পৰ্য্যায়ত কীৰ্তন-ঘোষাৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱযুক্ত বিভিন্ন ধৰণৰ ফকৰা-যোজনাৰ সৃষ্টি হৈছে। এই অধ্যায়টি চৈধ্যটি উপবিভাগত বিভক্ত কৰি লিখা হৈছে। কীৰ্তন-ঘোষাৰ বাণী ভঙ্গিমাত অসমীয়া লোকজীৱনৰ প্ৰকাশৰ বিষয়ে কৰা আলোচনাত অসমৰ থলুৱা প্ৰকৃতিৰ চিত্ৰ কাহিনী কথনত পোৱা গৈছে। অসমৰ মানুহৰ থলুৱা সাজসজ্জা, আভূষণৰ পৰিচয় কীৰ্তনৰ বৰ্ণনাত পোৱা হৈছে। থলুৱা জীৱিকাৰ পৰিচয়সূচক শব্দও কীৰ্তন-ঘোষাত পোৱা গৈছে। গ্ৰাম্য কথিত ভাষা আৰু ঘৰুৱা শব্দৰ প্ৰয়োগ, সামাজিক লোকাচাৰৰ চিত্ৰ, গাৰ্হস্থ্য জীৱনৰ বিবিধ চিত্ৰ আদিয়ে অসমৰ লোকজীৱনত কীৰ্তন-ঘোষাক জনপ্ৰিয় কৰিছে বুলি বুজিব পাৰি।

চতুৰ্থ অধ্যায়ত অসমৰ লোক পৰিবেশ্য কলাত কীৰ্তন-ঘোষাৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰা হ'ল। কীৰ্তন পৰিবেশনৰ সুৰৰ মাধুৰ্যই আৰু সমূহীয়া অংশগ্ৰহণৰ সুবিধাই পুথিখনৰ স্থায়িত্ব জন সমাজত দীৰ্ঘম্যাদী কৰিবলৈ সক্ষম হৈছে। গতিকে এই পুথি লোক পৰিবেশ্য কলা ৰূপে অংগীভূত হোৱাৰ যুক্তি অধ্যায়টিত বিচাৰ কৰা হ'ল। ব্যক্তিগত গৃহ আৰু ৰাজহুৱা নামঘৰত কীৰ্তন-পৰিবেশনৰ পৰম্পৰা তথা সুৰৰ প্ৰয়োগ সম্পৰ্কেও আলোচনা কৰি দেখা গ'ল যে- কীৰ্তন-ঘোষাৰ উপস্থাপন তথা পৰিবেশন ৰীতিয়ে লোকজীৱনক সদা আকৰ্ষিত কৰি আহিছে। ভক্তিৰ দৃঢ়তাক সাংগীতিক মাধ্যমেৰে জনসমাজৰ মাজত বিলাই দিয়াৰ অভূতপূৰ্ব শৈল্পিক গুণ কীৰ্তন-ঘোষা নিহিত হৈ আছে; তদুপৰি স্থানীয়, শাস্ত্ৰীয় আৰু প্ৰান্তীয় উপাদানৰ সংমিশ্ৰণৰে শঙ্কৰদেৱে কীৰ্তন-ঘোষাত সুৰ সংযোজিত কৰিছে। অসমীয়া লোকগীতৰ

মাজত কীৰ্তন-ঘোষাৰ ব্যাপ্তিৰ বিষয়ে কৰা আলোচনাত দিহানাম, লোকগীত, বিহুগীত, বিয়ানাম, জিকিৰ-জাৰী— এই গীতসমূহৰ সুৰ, ভাৱ-ভাষা আদিত কীৰ্তন-ঘোষাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱ যথেষ্ট পৰিমাণে পৰিছে বুলি ধৰা পৰে। কীৰ্তন-ঘোষাৰ প্ৰভাৱ পৰা এনে গীত সমূহৰ কিছুসংখ্যক এই অধ্যায়টিত বাছি উলিওৱা হৈছে।

পঞ্চম অধ্যায়ৰ বিষয় হ'ল প্ৰাচীন আৰু আধুনিক সাহিত্যৰ যোগেদি লোকমানসত কীৰ্তন-ঘোষাৰ প্ৰভাৱ। অসমীয়া সাহিত্যৰ বৈষ্ণৱ যুগীয় পৌৰাণিক ধাৰাটো আৰু আধুনিক সাহিত্যৰ বিশাল অংশত কীৰ্তন-ঘোষাৰ প্ৰভাৱ পৰিছে। শঙ্কৰদেৱৰ সমসাময়িক বৈষ্ণৱ সাহিত্যিক সকল আৰু বৰ্তমানৰ সাহিত্যচৰ্চা কৰোঁতাসকলৰ সাহিত্যৰ মাজত কীৰ্তন-ঘোষাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱ পৰিছে। ৰত্নাকৰ কন্দলী, শ্ৰীধৰ কন্দলি, ৰামসৰস্বতী, অনন্ত কায়স্থ প্ৰভৃতি পৌৰাণিক বৈষ্ণৱ সাহিত্যিকসকলৰ কাব্যত শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাৰ ৰচনাশৈলী আৰু ভক্তিময় ভাৱবস্তুৰ দৃঢ় প্ৰভাৱ পৰা দেখা যায়। আধুনিক সাহিত্যৰ ধাৰাটো আৰম্ভ হোৱাৰ লগে লগে অসমীয়া উচ্চশিক্ষিত যুৱক একাংশৰ প্ৰচেষ্টাত ক্ৰমাৎ স্তিমিত হ'বলৈ আৰম্ভ কৰা শঙ্কৰী সাহিত্যৰ স্বকীয় বিশেষত্ব পুনৰোদ্ধাৰ হৈছিল। তেওঁলোকৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা, বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাম প্ৰথমেই ল'ব লাগিব। এওঁলোকৰ ৰচিত গল্প, নাটক, গীত, কবিতা প্ৰভৃতিত শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাৰ প্ৰভাৱ যথেষ্ট পৰিমাণে পৰিছে। বিশেষকৈ কীৰ্তন-ঘোষাৰ ঘোষা-পদৰ উদ্ধৃতি দি বক্তব্যৰ জোৰ বঢ়োৱাটো সাহিত্যিকসকলৰ নিয়মৰ দৰে হৈ পৰিছিল। বিশেষকৈ লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনা সমগ্ৰত কীৰ্তন-ঘোষাৰ প্ৰসংগ আৰু প্ৰভাৱৰ প্ৰাধান্য দেখা যায়। বিষ্ণুপ্ৰসাদ ৰাভা আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত আৰু কবিতাত কীৰ্তন-ঘোষাৰ সুৰ আৰু ভক্তিৰ দৃঢ়তাৰে প্ৰাপ্ত সাংস্কৃতিক আহ্বানৰ প্ৰাধান্য লক্ষ্য কৰা যায়। সেইদৰে কীৰ্তন-ঘোষাক সাঁচিপতীয়া ৰূপৰ পৰা সংগৃহীত কৰি ছপাৰূপত প্ৰকাশ কৰা হৰিবিলাস আগৰৱালাৰ পৰা মহেশ্বৰ নেওগ আদি বিশিষ্ট সকলে বিজ্ঞানসন্মত ভাৱে কীৰ্তনৰ অধ্যয়নৰ পথ সুগম কৰাৰ বিষয়েও আলোচনা কৰা হ'ল। শিশু সাহিত্যৰ মাজত কীৰ্তনৰ প্ৰসংগ সম্পৰ্কেও চমু আলোচনা আগবঢ়োৱা হ'ল। কীৰ্তনৰ প্ৰভাৱ যুক্ত প্ৰাচীন অসমীয়া সাহিত্য ঃ এটি চমু আভাস, কীৰ্তনৰ প্ৰভাৱযুক্ত আধুনিক অসমীয়া সাহিত্য, লক্ষ্মীনাথ বেজবৰুৱাৰ দৃষ্টিত কীৰ্তন-ঘোষা, লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যত কীৰ্তন-ঘোষাৰ প্ৰসংগ, বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যৰ কীৰ্তন-ঘোষাৰ প্ৰসঙ্গ, জ্যোতিপ্ৰসাদ আগৰৱালাৰ সাহিত্যত কীৰ্তন-ঘোষাৰ প্ৰসংগ, অসমীয়া শিশু সাহিত্যত কীৰ্তনৰ প্ৰসংগ আৰু অন্যান্য লেখকৰ ৰচনাত কীৰ্তনৰ প্ৰভাৱ আৰু

প্ৰসংগ-এই আঠোটি দিশত আলোচনা কৰি দেখা গৈছে যে- প্ৰাচীন আৰু আধুনিক সাহিত্য ৰচক সকলৰ সাহিত্যত কীৰ্তন-ঘোষাৰ প্ৰসংগ আৰু প্ৰভাৱে অসমীয়া সাহিত্য সমৃদ্ধ কৰিছে। শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাৰ বিশিষ্ট প্ৰসঙ্গ আৰু প্ৰভাৱো এইসকল ব্যক্তিৰ সাহিত্যত পৰিছে আৰু তাৰ দ্বাৰা অসমৰ জনজীৱনত কীৰ্তনৰ স্থান দৃঢ় হৈ পৰিছে।

আমাৰ এই আলোচনাৰ অন্তত দেখা গ'ল যে- পঞ্চদশ শতিকাৰ এক অস্থিৰ ধৰ্মীয় পৰিৱেশত শঙ্কৰদেৱে থলুৱা ভাষা সাহিত্য বিশেষকৈ কীৰ্তন পুথিৰ সৃষ্টিৰ দ্বাৰা সমাজলৈ এক প্ৰকাৰ সাংস্কৃতিক গতিশীলতা আৰু স্থায়ী শৃংখলাবদ্ধ সুস্থিৰতা আনিবলৈ সক্ষম হৈছিল। নাম-প্ৰসঙ্গৰ ক্ষেত্ৰত থাপনা সজাই তাত ভাগৱত শাস্ত্ৰ অথবা কীৰ্তন-ঘোষা-গুণমালা স্থাপন কৰি কৃষ্ণৰ গুনাণুকীৰ্তন কৰাৰ পদ্ধতি প্ৰকৃততেই অতি সৰল উপাসনা পদ্ধতি। থাপনাত ভাগৱত, কীৰ্তন-গুণমালা আদি ধৰ্মশাস্ত্ৰ প্ৰতিষ্ঠা কৰাৰ ইংগিতময় বিশেষত্ব হ'ল জনসাধাৰণক সৰ্বতো প্ৰকাৰে শিক্ষিত কৰি তোলা। এই ধৰ্মশাস্ত্ৰ সমূহে এজন অদ্বিতীয় ভগৱানৰ প্ৰতিনিধিত্ব কৰিছে। ভগৱন্তৰ গুণানুকীৰ্তন, শ্ৰৱণ-কীৰ্তনৰ মাধ্যমেৰে হৃদয়ত তেওঁৰ সুন্দৰ অবয়ৱৰ কল্পনা কৰি প্ৰস্তুত কৰা নৱ-বৈষ্ণৱ ভক্তিমাৰ্গ সহজসাধ্য। অসমৰ বেছিসংখ্যক মানুহৰ গোঁসাইঘৰৰ থাপনাত প্ৰধানভাৱে কীৰ্তন-ঘোষাক প্ৰতিষ্ঠা কৰা দেখা গৈছে। এনেদৰেই অসমীয়া লোকজীৱনত 'এক-দেৱ এক সেৱ' নীতি অৰ্থাৎ একেশ্বৰ বাদী ধাৰণাৰ সংৰোপণ প্ৰধানভাৱে কীৰ্তন-ঘোষাৰ মাধ্যমেৰে কৰা হ'ল। নামঘৰত চৈধ্য প্ৰসঙ্গৰ ৰীতি, স্বগৃহত পুৱা গধূলি থাপনাত কীৰ্তন-ঘোষা প্ৰতিষ্ঠা কৰি মিঠাতেল শলিতাৰ পবিত্ৰ মাটি চাকি জ্বলোৱাৰ ৰীতি, নিত্য-নৈমিত্তিক বিভিন্ন অনুষ্ঠান-সকাম নিকামত কীৰ্তন-পাঠৰ অথবা নাম প্ৰসঙ্গৰ ৰীতিয়ে অসমীয়া লোকসমাজক এক শৃংখলাবদ্ধ জীৱন-নিৰ্বাহৰ শিক্ষা দিবলৈ সক্ষম হ'ল। কীৰ্তন-ঘোষাৰ পাঠ আৰু নাম প্ৰসঙ্গই সমাজত এক শৈক্ষিক বাতাবৰণৰ সৃষ্টি কৰিবলৈকো সক্ষম হ'ল। গতিকে অসমীয়া ধৰ্মীয় জন-জীৱন নিয়ন্ত্ৰণ কৰাৰ মূলমন্ত্ৰ কীৰ্তন-ঘোষাৰ অতি সন্মানীয় ব্যৱহাৰিক ক্ৰিয়া কলাপ বুলি স্বীকৃত হ'ল। লগে লগে পুথিখনৰ মাজত সৰলভাৱে অসমীয়া জাতীয় আবেগ সংৰক্ষণ হৈ গ'ল। শঙ্কৰদেৱে তেওঁৰ ধৰ্মমত প্ৰতিষ্ঠাৰ বাবে আৰু সামাজিক ক্ষেত্ৰখনত চলিত কুসংস্কাৰ সমূহত আঁতৰাবৰ বাবেই যথাৰ্থ শিক্ষানীতি গ্ৰহণ কৰি, দেখি আৰু শুনি শিক্ষালাভ কৰাৰ দৰ্শন তেওঁৰ সুদূৰ প্ৰসাৰী চিন্তাচৰ্চাৰ অন্যতম কাৰক। এই বিশেষ উদ্দেশ্য অৰ্থাৎ জনসাধাৰণক শিক্ষিত কৰা, কলামুখী কৰা, সৰ্বতো প্ৰকাৰে উন্নত জীৱনশৈলীৰ দীক্ষা প্ৰদান কৰিবৰ বাবেই তেওঁ 'কীৰ্তন-ঘোষা' পুথিখন মাধ্যম হিচাপে ৰচনা কৰিলে।

শঙ্কৰদেৱৰ বিশাল ধৰ্ম জীৱনৰ সমস্ত নৈতিক আদৰ্শ, আধ্যাত্মিক শক্তিৰ তাৎপৰ্য, শক্তিশালী ধৰ্মীয় দৰ্শনক প্ৰতিনিধিত্ব কৰিছে তেওঁৰ নাম-প্ৰসঙ্গমূলক কীৰ্তন-ঘোষা পুথিখনিয়ে। অসমীয়া অনাখৰী সমাজক জীৱনবোধ আৰু কৰ্মস্পৃহাৰ আঁৰৰ সূক্ষ্ম ৰসবোধৰ দীক্ষা দিয়া উক্ত পুথিখনিয়ে অসমীয়া জন-জীৱন জুৰি আছে প্ৰাণস্পন্দনৰ পৰা মৃত্যুলৈকে প্ৰতিটি আচাৰ-আচৰণত, মাত কথাত, শৈল্পিক চেতনাত। কীৰ্তন-ঘোষাৰ শ্ৰৱণ-কীৰ্তনৰ মাধ্যমেৰে  বিশালায়তনৰ জনসংযোগ তথা সামাজিক শিক্ষাৰ বাতাবৰণ তৈয়াৰ কৰিবলৈ শঙ্কৰদেৱ সক্ষম হৈছিল। শ্ৰৱণ-কীৰ্তনৰ উপযোগীকৈ প্ৰতিষ্ঠা কৰা কীৰ্তন-ঘৰ অৰ্থাৎ সমজুৱা উপাসনা গৃহই বহল কলেৱৰত নামঘৰলৈ উত্তৰণ লাভ কৰিছিল। এই নামঘৰ অসমীয়া লোকজীৱনৰ সাংস্কৃতিক ভেঁটি হিচাপে ঈশ্বৰ আৰাধনাৰ কেন্দ্ৰ স্থল আৰু সঙ্গীত, নৃত্য-অভিনয় সুকুমাৰ কলাসমূহৰ অনুশীলনৰ উপযুক্ত স্থান হিচাপে বিশিষ্ট ভূমিকা গ্ৰহণ কৰি আহিছে।  সমাজত শান্তি শৃংখলা অটুট ৰাখি নিত্য-নৈমিত্তিক ভাৱে নাম-প্ৰসঙ্গ চৰ্চাৰে কীৰ্তন-ঘোষাৰ দৰ্শন অসমীয়াৰ হাড়ে হিমজুয়ে বিয়পি পৰা দেখা যায়। ধৰ্ম, সাহিত্য, দৰ্শন, পৰিৱেশ্য কলা— সকলোখিনিৰ পৰিশীলিত সমাবেশ ঘটাই কীৰ্তন-ঘোষা পুথিখনিয়ে অসমীয়া লোকে সমাজক প্ৰদান কৰা শৃংখলাবদ্ধ সাংস্কৃতিক জীৱনশৈলী প্ৰদান কৰিলে বুলি বিনা দ্বিধাই ক'ব পাৰি। একাধিক দিশেৰে অসমীয়া সমাজত শান্তি সম্প্ৰীতি, সংস্কৃতি আৰু আধ্যাত্মিক চেতনা দান কৰাত কীৰ্তন-পুথিয়ে অতি বিশিষ্ট ভূমিকা গ্ৰহণ কৰি আহিছে। সেয়েহে অসমৰ লোকজীৱনত কীৰ্তন-পুথিৰ প্ৰভাৱ অসীম।

গৱেষণাৰ অন্তত শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাই অসমীয়া লোকজীৱনত কিদৰে প্ৰভাৱ বিস্তাৰ কৰিলে সেই সন্দৰ্ভত কেইটিমান সিদ্ধান্তত উপনীত হ'ব বিচৰা হৈছে এনেধৰণেৰে-

(ক) কীৰ্তন-ঘোষা পুথিখনৰ মাজতে অসমীয়া জাতীয় আবেগ সংৰক্ষিত হৈ আছে আৰু জাতিটোক একতাৰ ডোলেৰে বান্ধি ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

(খ) অসমীয়া লোকজীৱনত সংস্কৃত ভাগৱতকেন্দ্ৰিক সাহিত্যৰ লগত প্ৰথম পৰিচয় প্ৰদান কীৰ্তন-ঘোষাৰ জৰিয়তেই কৰা হ'ল।

(গ) অসমীয়া ধৰ্মীয় জন-জীৱন নিয়ন্ত্ৰণ কৰাৰ মূলমন্ত্ৰ কীৰ্তন-ঘোষাৰ ব্যৱহাৰিক ক্ৰিয়া কলাপ বুলি কব পাৰি। কীৰ্তন-ঘোষাৰ শৃংখলিত পাঠ আৰু নাম প্ৰসঙ্গই অসমীয়া ধৰ্মীয় জন-জীৱন নিয়মন্ত্ৰণ কৰি আহিছে। লোকমনত শিপাই থকা কীৰ্তন-ঘোষাৰ ধৰ্মীয়, আবেগিক দৰ্শনে পাঁচশতাধিক বৰ্ষৰো অধিক কাল জুৰি অসমীয়া সমাজক সুস্থিৰ বাতাবৰণ প্ৰদান কৰিবলৈ সক্ষম হ'ল।

(ঘ) অসমীয়া লোকজীৱনত এক দেৱ এক সেৱ নীতি অর্থাৎ একেশ্বৰবাদী ধাৰণাৰ সংৰক্ষণ কীর্তন-ঘোষাৰ দ্বাৰাই কৰা হ'ল।

(ঙ) এই পুথিখনিৰ জৰিয়তেই অসমীয়া সাংস্কৃতিক চেতনাৰ বিকাশ দ্রুততৰ হ'ল।

(চ) কীর্তন-ঘোষা পুথিখনিয়ে অসমীয়া সাহিত্যিক ভাষাৰ মর্যদা নিৰূপণত বিশিষ্ট ভূমিকা গ্রহণ কৰিলে।

(ছ) এই পুথিখনিৰ দর্শন আধুনিক অসমীয়া সাহিত্যৰ বিভিন্ন স্তৰত গভীৰ ভাৱে শিপাই আছে।

(জ) নামপ্রসঙ্গমূলক অনুষ্ঠানৰ জৰিয়তে কীর্তন-ঘোষাৰ মাধ্যমেৰে লোকপৰিৱেশ্য কলাৰ বিকাশ সম্ভৱ কৰিলে।

(ঝ) অসমৰ সকলো কালৰ সকলো বিষয়ৰ পুথিৰ ভিতৰত অসমীয়া লোকজীৱনৰ কীর্তন-ঘোষাৰ প্রভাৱ সর্বাধিক।

আমাৰ গৱেষণাকর্মত কীর্তন-ঘোষাৰ মাজত নিহিত থকা অসমীয়া লোকজীৱনৰ প্রভাৱ বাছি উলিওৱা হ'ল। কিন্তু পুথিখনৰ মাজত অন্যান্য বহু গৱেষণামূলক অধ্যয়নৰ উৎসও পোৱা যাব। তেনে অধ্যয়নৰ বিষয় কিছুমান উনুকিয়াই চোৱা হ'ল।

**(ক) 'কীর্তন-ঘোষা'ৰ নন্দন তাত্ত্বিক অধ্যয়ন ঃ** কীর্তন-ঘোষাৰ নন্দনতত্ত্ব সম্পর্কেও আংশিক গৱেষণামূলক প্রৱন্ধ আৰু আংশিক গৱেষণা পোৱা যায়। এই দিশত পূর্ণাংগ গৱেষণামূলক অধ্যয়ন এতিয়া বাকী আছে। গতিকে 'কীর্তন-ঘোষা'ৰ নন্দনতাত্ত্বিক অধ্যয়ন' এটি গৱেষণাৰ বিষয় হ'ব।

**(খ) কীর্তন-ঘোষাৰ সংগীত তত্ত্ব ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন ঃ** কীর্তন-ঘোষাৰ পৰিবেশন শৈলীলৈ লক্ষ্য কৰিলে বুজা যায় ই এক গীত-বাদ্য সমন্বিত সংগীত কলা। এই প্রসঙ্গত কিছু আংশিক আলোচনা আমাৰ গৱেষণাত কৰা হৈছে কিন্তু পূর্ণাংগভাৱে কীর্তন-ঘোষাৰ সুৰ, ৰাগ, তাল, মান, লয়ৰ আলোচনাসহ কেৱলমাত্র কীর্তন-ঘোষাৰ সঙ্গীত তত্ত্বৰ ওপৰত গৱেষণামূলক অধ্যয়ন এতিয়ালৈকে হোৱা নাই। গতিকে ভৱিষ্যতৰ গৱেষণাৰ বাবে ই এক আকর্ষণীয় বিষয়।

**(গ) কীর্তন-ঘোষাৰ পাঠ সমীক্ষা-এটি বিশ্লেষণাত্মকঅধ্যয়ন ঃ** কীর্তন-ঘোষা পুথিখন প্রথম ছপামাধ্যমেৰে প্রকাশ পোৱা সময় ধৰি বর্তমান সময়লৈকে শতাধিক ছপা সংস্কৰণ ওলাইছে। লক্ষণীয় বিষয় যে প্রতিটো ছপা সংস্কৰণতে পাঠান্তৰ ভিন্নতা আছে। গতিকে শঙ্কৰদেৱে প্রকৃততে কীর্তন-ঘোষাৰ পাঠত কেনেকুৱা ধৰণৰ লিপি আৰু পাঠৰ ব্যৱহাৰ কৰিছিল অনুসন্ধান কৰি উলিওৱাটো গবেষণা মূলক অধ্যয়নৰ ভিতৰত পৰে। দুই-এজন গৱেষকে কীর্তন-ঘোষাৰ এটা বা দুটা অধ্যায়ৰ পাঠ সমীক্ষামূলক গৱেষণা কৰিছে। কিন্তু

কীৰ্তন-ঘোষাৰ সম্পূৰ্ণ অধ্যায়ৰ পূৰ্ণাংগ পাঠ সমীক্ষা এতিয়াও হোৱা নাই। গতিকে ইও এটা আকৰ্ষণীয় গৱেষণামূলক বিষয়।

**(ঘ) কীৰ্তন-ঘোষাৰ ভক্তিতত্ত্ব - এটি বিশ্লেষণাত্মক অধ্যয়ন ঃ** শঙ্কৰদেৱ প্ৰচাৰিত একশৰণ ভক্তি ধৰ্মৰ নিয়মাৱলী, দৰ্শন প্ৰভৃতি সকলো দিশৰ তাত্ত্বিক তাৎপৰ্য পুথিখনৰ মাধ্যমেৰে বিচাৰ কৰি উলিওৱাটো এক গৱেষণাৰ বিষয় হ'ব পাৰে। গতিকে এনে তথ্য উদঘাটনৰ বাবে 'কীৰ্তন-ঘোষা'ৰ ভক্তিতত্ত্ব- এটি বিশ্লেষণাত্মক অধ্যয়ন' উপযুক্ত গৱেষণাৰ বিষয় হ'ব।

**(ঙ) নামনি অসমৰ লোকজীৱনত কীৰ্তন-ঘোষাৰ প্ৰভাৱ ঃ** আমাৰ গৱেষণা কাৰ্যত সমগ্ৰ অসমীয়া লোকজীৱনত কীৰ্তন-ঘোষাৰ প্ৰভাৱ সম্পৰ্কে অধ্যয়ন কৰা হ'ল। যদিও ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ সীমাবদ্ধতাৰ বাবে নামনি অসমৰ গুৱাহাটী, কামৰূপ (গ্ৰামীণ), নলবাৰী, বৰপেটা, বঙাইগাঁও আদি জিলা সমূহৰ অধ্যয়ন বাদ পৰি ৰ'ল। গতিকে এই সমূহ অঞ্চলত কীৰ্তন-ঘোষাৰ প্ৰভাৱ সম্পৰ্কে আৰু বিস্তৃত গৱেষণা মূলক অধ্যয়নৰ প্ৰয়োজন আছে।

ধৰ্ম, সাহিত্য, দৰ্শন, পৰিৱেশ্য কলাৰ পৰিশীলিত সমাৱেশ ঘটাই ৰচনা কৰা কীৰ্তন-ঘোষা পুথি অসমীয়া জনজীৱনৰ বিশিষ্ট অংগ। শৃংখলাবদ্ধ-সাংস্কৃতিক জীৱনশৈলীৰ নিৰ্দেশনা দিয়া এই পুথিখনৰ বিশেষত্বই সমগ্ৰ অসমীয়া লোকজীৱন পৰিপূৰ্ণ কৰি ৰাখিছে। গৱেষণাৰ অন্তত অসমৰ লোকজীৱনত কীৰ্তন-ঘোষাৰ প্ৰভাৱৰ কেইবাটিও দিশ পোহৰলৈ অহা দেখা গ'ল।